လိၵ် ၾး တဵ ဢမ် ယးင်

লিক ঙাই ত্তাই খাময়াঙ

সহজ ত্তাই খাময়াঙ পুথি

(ব্যাকৰণ সহ)

অংছিং শ্যাম ৰাইলৌং

'Lik Ngai Tai Kham Yang' a book of Tai language Gramma compiled by Chao Aong Ching Shyam of Sibasagar, Assam and published by **Phung lai Khamyang** on the Occasion of **Poi Pee**
Mau Tai 2109

Publisher :
Phung lai Khamyang.

Financed by :
Amrit Shyam.

Copyright :
Phung lai Khamyang.

Published in :
2014

D.T.P by :
Dulen Changbun Phukan
Ban; Maniki (Mahmora)

Cover designe :
Utpala Boruah.

Price : 30/-

Printed at :
Pahi Offset Press, Moranhat
Phone No.-03754229424
E-mail : pahioffsetmoran@gmail.com

অভিমত

"সহজ ত্তাই খাময়াঙ ভাষাৰ সহজ পুথি" শিৰোনামাৰে সংকলন কৰা ত্তাই প্ৰামিৰ (ত্তাই আদিপাঠ) খনিৰ লেখক চাও অংচিং শ্যাম এজন আজীৱন শিক্ষকতা বৃত্তিত ব্ৰতী ব্যক্তি। তেখেত ৰহন মধ্য ইংৰাজী বিদ্যালয়ৰ মুৰব্বী বিচাৰে শিক্ষকতাৰ জীৱন অৰম্ভ কৰি ডিব্ৰুগড় জিলাৰ ডাপৰা বাঙ্গোৰ উচ্চ মাদ্যমিক বিদ্যালয়ত প্ৰায় বাৰ বছৰ কাল সুখ্যাতিৰে সেৱা আগবঢ়াই অৱশেষত নিজৰ অধ্যয়নথলী শিৱসাগৰ জিলাৰ অন্যতম ও পুৰণা শিক্ষানুষ্ঠান সাপেখাতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে. অৱসৰ গ্ৰহণ কৰিয়ে তেখেতে সক্ৰীয় ৰাজনীতিত প্ৰৱেশ কৰি পঞ্চায়তৰ দায়িত্বপূৰ্ণ কাৰ্য্যভাৰ গ্ৰহণ কৰি ৰাজহুৱা জীৱন আৰম্ভ কৰে আৰু এইদৰে দহবছৰকাল ৰাইজলৈ সেৱা আগবঢ়ায়। কিন্তু তেখেতে ইমানতে কৰ্ম্মময় জীৱনৰ সমাপ্তি নঘটালে। ৰাজনৈতিক জীৱনধাৰা সমাপ্ত কৰি তেখেত ৰৈ নাথাকিল। পুনৰ অহাবাটে ঘূৰি গ'ল শিক্ষকতাৰ জীৱনলৈ। বৰ্ত্তমান তেখেত সাপেখাতীৰ একন ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠান SAPEKHATI BROOKFIELD ENGLISH SCHOOL ৰ প্ৰধান হিচাবে কাৰ্য্যনিৰ্ব্বাহ কৰি আছে।

মানুহ এজনৰ ব্যক্তি ত্বত পৰিৱেশ আৰু পৰিস্থিতিয়ে গভীৰ ভাবে প্ৰভাৱ বিস্তাৰ কৰে। বিশেষকৈ ঘৰুৱা পৰিৱেশে এঘৰ মানুহৰ নৱ প্ৰজন্মক এনে ভাবে প্ৰভানান্বিত কৰে যে সেই সকল নৱ প্ৰজন্মই ওৰেজীৱন সেই প্ৰভাৱৰ পৰা মুক্ত হ'ব নোৱাৰে। চাও অংচিং শ্যামৰ জীৱনতো এটা ব্যৰ্তিক্ৰমী ঘৰুৱা পৰিৱেশে ক্ৰিয়া কৰিছিল। যেহেতু আমি একেখন গাঁৱৰে একোটা পৰিয়ালৰ লোক। একে বংশ-পৰিয়াল হোৱা বাবে তেখেত সম্বন্ধত মোৰ আও চাও (দদাইদেউ) আৰু তেখেতৰ পিতৃ-মাতৃ মোৰ পু-চাও আৰু য়্যা চাও আছিল। পু-চাও জন বহুভাষী ব্যক্তি আছিল। তেখেতে বৌদ্ধ ধৰ্ম্মৰ উপসম্পদা (শ্ৰমন দীক্ষা) গ্ৰহণ কৰি প্ৰায় দুবছৰ কলকতাৰ ধৰ্ম্মাঙ্কুৰ বিহাৰত থাকি ব্ৰহ্মদেশলৈ (ম্যানমাৰ) যায়। ব্ৰহ্মদেশৰ মান্দালয় নগৰীৰ কোনো এখন বিহাৰত দুবছৰ চাৰিমাহ কাল থাকি ব্ৰহ্মা ভাষাৰ শিক্ষা লয়। তেখেতে ত্তাই ভাষা, ব্ৰহ্মা ভাষা জনাৰ উপৰিও চিংফৌ ভাষাত সলসলীয়াকৈ ক'ব পাৰিছিল। তাৰোপৰি তেখেতে নেপালী ভাষাও জানিছিল। আদিভাষী সম্প্ৰদায়ৰ মুণ্ডা আৰু চাওতালী ভাষাত কথোপকথন হোৱা আমি দেখিবলৈ পাইছিলো। আনহাতে য়্যা চাও গৰাকী ত্তাই খাময়াঙ সম্প্ৰদায় নং খেউ নকজাঙত বসতি কৰাৰ সময়ত মান নয় গাঁৱৰ বাসিন্দা আছিল। এওঁলোকে পাটকাই অতিক্ৰমী সৌমাৰ খণ্ডত পদাৰ্পণ কৰাৰ পিচত ত্তাই খামটিসকলৰ সান্নিধ্যত শদিয়াৰ বসতি স্থাপন কৰি নিজ ভাষা সংস্কৃতি ৰক্ষা কৰি আহিছিল। ১৮৩৯ চনৰ জানুৱাৰী মাহৰ ৰাতিলৈ সংঘটিত হোৱা ইংৰাজ-খামটিৰ ৰণৰ আগদিনা ব্ৰহ্মপুত্ৰ পাৰহৈ ত্তাই নয় সকলে ডিব্ৰুগড়ৰ খনিকৰ নামৰ ঠাইত আশ্ৰয় লৈছিলহি। খনিকৰ গাঁৱৰ পৰা জকাই, মাকুমকিল্লা আদি ঠাইলৈ প্ৰৱজন কৰি অৱশেষত মাৰ্ঘেৰিটা অঞ্চলৰে পাৱৈমুখ গাঁৱত নিগাজীকৈ বসতি কৰিবলৈ লয়।

দেখা যায় খাময়াঙৰ মান-নয় (মান-গাঁও, নয়-পৰ্ব্বত বা ওখ ঠাই) গাঁৱৰ দলটোৱে পাটকাইৰ সিপাৰৰ পৰাই এটা সুকীয়া গোটত বিভক্ত হৈ আচুতীয়াকৈ থাকি নিজৰ ভাষা-সংস্কৃতি ৰক্ষা কৰি থাকিল। চাও অংচিং শ্যামৰ মাতৃ য়্যা-চাও গৰাকী জন্মগত ভাবে ত্তাই ভাষী আছিল। তেখেত সকলে ঘৰত সকলো সময়তে ত্তাই ভাষাতে কথা-বতৰা হৈছিল। চাও অং চিং দদাইদেউ তেনে পৰিৱেশত ডাঙৰ-দীঘল হৈছিল। কেৱল যে ত্তাই ভাষাৰ প্ৰতিহে শ্ৰদ্ধাশীল হৈছিল এনে নহয়, তেখেতৰ ব্যক্তিত্বত জাতীয় সত্তা এঠা গঢ়লৈ উঠিছিল। কাৰণ তেখেতৰ একমাত্ৰ বৌৱেক গৰাকী ত্তাই তুৰুং সম্প্ৰদায়ৰ জীয়াৰী আছিল। ত্তাই তুৰুং সকলৰ মাতৃভাষা ত্তাই আৰু চিংফৌ আছিল। সেই সুবাদতে তেখেতৰ স্বামী শ্ৰী তিলেশ্বৰ দদাইদেৱে পৰিবাৰৰ পৰা চিংফৌ ভাষা শিকি পেলাইছিল। এনেদৰে সাতে সোতৰই চাও অংচিং দদাইদেউইঁতৰ ঘৰৰ পৰিৱেশটো বিভিন্ন ভাষাৰ পীতভূমি আছিল বুলিয়েই বঢ়াই কোৱা নহয়।

পৰিৱেশত আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰো যে জাতীয় চেতনাৰ অবিহনে এনে দুঃসাধ্য কাম হাতত লোৱা সম্ভৱ নহয়। সেইদিশৰ পৰা লক্ষ্য কৰিলে চাও অংচিং শ্যামদেও আমাৰ সকলোৰে শলাগৰ পাত্ৰ। খাময়াঙ সমাজ কিঞ্চিত পৰিমাণে হ'লেও পুথিখনৰ প্ৰতি সমাদৰ প্ৰদৰ্শন কৰি আকোৱালি লয়, তেন্তে লেখকৰ পৰিশ্ৰম সাৰ্থক হ'ব বুলি ভাবিব পাৰিমহঁক।

চাও চৈমেত বাইলুঙ
সাপেখাতী
৯/১২/২০১৪

লেখকৰ একাষাৰ

যি জাতিৰ ভাষা, সংস্কৃতি নাই সেই জাতিয়ে নিজকে এটা জাতি বুলি দাবী কৰিব নোৱাৰে। কাৰণ এটা জাতি হবলৈ কিছুমান উপাদানৰ আৱশ্যক। সেই দিশৰ পৰা লক্ষ্য কৰিলে বৰ্ত্তমান সময়ত বসবাস কৰা ত্তাই খামতি, ত্তাই ফাকে আৰু ত্তাই আইতন সকলে জাতীয় বৈশিষ্ট্য ৰক্ষাৰ আটাইবোৰ উপাদান ধৰি ৰাখি এটা জাতি বুলি পৰিগণিত হৈ আহিছে। কিন্তু অসময় প্ৰায় আঠশ বছৰ বসবাস কৰা ত্তাই আহোম আৰু ত্তাই খাময়াং সকলৰ ক্ষেত্ৰত জাতিয় বৈশিষ্ট্যৰ সেই উপাদান সমূহৰ অভাৱ দেখা যায়। ত্তাই খাময়াং সকলৰ ক্ষেত্ৰত এই কথা কব পাৰি যে তেওঁলোকৰ সকলো থাকিও যেন একো নাই। এনে এটা অৱস্থাৰ সন্মুখীন হোৱা যেন লাগে। কাৰণ ত্তাই খাময়াং সকল নৃগোষ্ঠীগত ভাবে যে ত্তাই, এই কথা সন্দেহাতীত। কিন্তু তেওঁলোকৰ সমাজত ত্তাই ভাষা প্ৰচলনৰ পথ ৰুদ্ধ হোৱাৰ বাবেই বৰ্ত্তমান সময়ত তেওঁলোকৰ পৰিস্থিতি সন্দৰ্ভত এটা সন্দিহান অৱস্থাৰ সৃষ্টি হৈছে। এই কথা সত্য যে এওঁলোকে মধ্য অসমৰ বিভিন্ন জনগোষ্ঠীৰে পৰিবেষ্টিত অঞ্চলত বসবাস কৰাৰ বাবে পৰিৱেশ আৰু পৰিস্তিতিত পৰি নিজৰ মাজত ত্তাই ভাষা প্ৰচলন কৰাত কিছু সমস্যাৰ সন্মুখীন হ'ল. অৱশ্যে বিংশ শতিকাৰ ষাঠী-সত্তৰ দশকৰলৈকে তেওঁলোকৰ সমাজত ত্তাই ভাষা জনা লোক অনেক আছিল। তাৰোপৰি সাম্প্ৰতিক সময়তো এওঁলোকৰ সমাজৰ বহুলোকে ত্তাই ভাষাৰ সম্বোধন পদবোৰ আৰু বিভিন্ন আচবাবৰ বস্তুবোৰ ত্তাই ভাষাৰ শব্দ প্ৰয়োগ কৰে।

অতি সাম্প্ৰতিক কালত ত্তাই খাময়াঙ জনগোষ্ঠী নৱ প্ৰজন্মই ত্তাই ভাষা উদ্ধাৰৰ বাবে চলোৱা প্ৰচেষ্টা অতিকৈ আদৰণিয় আৰু প্ৰশংসনিয়। কিন্তু এই প্ৰচেষ্টা শুদ্ধ পথেৰে পৰিচালিত কৰিব লাগিব আৰু তেতিয়াহে আকাংক্ষিত লক্ষ্যত উপনিত হোৱাতো আশা কৰিব পাৰি।

মোৰ ত্তাই ভাষাৰ অনুষ্ঠানিক শিক্ষা নাই। কিন্তু মোৰ পিতৃ-মাতৃ জীৱিত থকা লৈকে আমাৰ ঘৰখনত ত্তাই ভাষাৰ কোৱাৰ এটা পৰিৱেশ আছিল। মোৰ পিতৃ-মাতৃ দুয়ো ত্তাই ভাষী আছিল। ঘৰত তেখেতসকলে ত্তাই ভাষাতে কথোপকথন

হৈছিল। কোনোবা ত্তাই ভাষা কোৱা অতিথি আহিলে তেওঁলোকে আমাৰ ঘৰত আলহী হৈ থাকিবলৈ ভাল পাইছিল। কাৰণ তেওঁলোকে মোৰ পিতৃমাতৃৰ সৈতে ত্তাই ভাষাত কথা পাতি আনন্দ লভিছিল। তেনে এটা পৰিৱেশত মই পিতৃমাতৃ আৰু অন্যান্য লোকৰ মুখৰ পৰা শুনি পিতৃ-মাতৃৰ সৈতে ভুলে-শুদ্ধই ত্তাই ভাষাতো কব পৰা হৈছিলো। কিন্তু সম্পূৰ্ণকৈ শিকাৰ সুযোগ নহ'ল। মোৰ ত্তাই ভাষাৰ সীমিত জ্ঞানেৰে এই পুথিখন লিখি উলিয়ালো।

পুথিখন সজাওঁতে ত্তাই পণ্ডিত মোৰ আও চাও প্ৰয়াত আইম্যাখেং গোঁহাইদেৱৰ "ত্তাই ভাষাৰ প্ৰাথমিক পাঠ" পূৰ্ব্বাঞ্চল ত্তাই সাহিত্য সভাৰ "প্যুঙ খম ত্তাই" ৰত্নেশ্বৰ বুঢ়াগোঁহাই, ষ্টিফেন মোৰেৰ "ত্তাই ভাষাৰ প্ৰাইমাৰ", লেইঠন মৌকেৰ "ত্তাই ভাষাৰ শিক্ষা", ড০ বিজু মৰাণৰ "ত্তাই ফাকে ভাষা আৰু সংস্কৃতি" আদি পুথিসমূহ অধ্যয়ন কৰি "লিক ঙাই ত্তাই খাময়াঙ" অৰ্থাৎ সহজ ত্তাই খাময়াঙ পুথি নামকৰণেৰে প্ৰস্তুত কৰাৰ চেষ্টা কৰা হৈছে। ত্তাই খাময়াঙ সমাজত ত্তাই ভাষা শিক্ষাৰ প্ৰচাৰৰ ক্ষেত্ৰত এই পুথিখনে কিঞ্চিত পৰিমাণে যদি অৰিহণা যোগায় লেখকৰ পৰিশ্ৰম সাৰ্থক হ'ব বুলি আশা কৰিম। আজি পৰ্য্যন্ত খাময়াঙ সমাজত ত্তাই খাময়াঙ ভাষাৰ পুথি প্ৰকাশ হোৱা নাই।

শেষত মাৰ্ঘেৰিটা অঞ্চলৰ পাৰৈমুখ গাঁৱৰ মোৰ স্বধমী জ্ঞাতি ব্যক্তিত্ৰয় সৰ্ব্বশ্ৰী মিহিন্দা চউলিক, লক্ষী চউলিক আৰু চাও চিক চেং থাওমুংদেৱে বিহঙ্গম দৃষ্টিৰে দুই এটা খুটি নাতি আঙুলিয়াই দিয়াত তেখেত সকললৈ মোৰ কৃতজ্ঞতা থাকিল। মোৰ সহোদৰ ভাই সৰ্ব্বশ্ৰী চৈমেত ৰাইলুঙ, দুৰ্গা শ্যাম, ড০ ডেওবৰ শ্যাম, অভিযন্ত্ৰা বুদ্ধিন শ্যাম আদিয়ে পুথিখন সোনকালে প্ৰকাশ কৰিবলৈ যি উদগনি ও প্ৰেৰণা দিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

সদৌ শেষত মোৰ লান লুক চাও প্যছেং চউলু ওৰফে জোনটিয়ে "লিক ঙাই ত্তাই খাময়াঙ" পুথিখন অতি সোনকালে যোগুতাব লাগে বুলি যি আমনি কৰিলে লগতে প্ৰেছলৈ অহা যোৱা কৰাৰ দায়িত্বও বহন কৰি মোক যিদৰে উৎসাহ যোগালে লগতে সাপেখাতী চক্ৰ বিষয়া কাযালয়ৰ কৰ্ম্মী শ্ৰী ৰঞ্জন থাওমুং, শ্ৰীমতী বন্দনা পাংয়ক শ্যামেও প্যছেঙক সহযোগ কৰাত তেওঁলোকলৈ মোৰ 'আকিও বই' লগতে তেওঁলোকৰ ইচ্ছাক বাঞ্চিত আশাবোৰ পূৰ্ণিমাৰ জোনৰ দৰে উজ্বল হৈ উঠক আৰু দীৰ্ঘজীৱি হৈ সমাজৰ সেৱা কৰিবলৈ তথাগত বুদ্ধই শক্তি দিয়ক।

সদৌ শেষত মোৰ আন কেইজনমান লান লুক সৰ্ব্বশ্ৰী ৰুদ্ৰ (ৰুবুল), অজিত আৰু ৰহন শ্যাম গাঁৱৰ পৰিচলনা সমিতিৰ সভাপতি অনন্ত শ্যাম, সোমাৰী বাসী শ্ৰী অনুপ ওৰফে ববী আৰু শ্ৰী অমৃত কামথং শ্যামে নিজা ত্তাই ভাষাটোৰ প্ৰতি আকৃষ্ট হৈ পুথিখন অতি সোনকালে প্ৰকাশ কৰিব লাগে বুলি যি আমনি কৰিলে তেওঁলোকৰ সেই আমনিক মই স্বীকৃতি প্ৰদান কৰি মোৰ হিয়াভৰা আশীবাদ তেওঁলোকলৈ —"ভাবাতু সৰ্ব্ব মঙ্গলম"। পৰিশেষত মোৰ সহধৰ্ম্মীনী শ্ৰীমতী মনোৰমাৰ কথা নকলে হয়তু মোৰ লিখনিটো আধাৰুৱা হ'ব। পুথিখন সম্পূৰ্ণ কৰাৰ বাবে তাই মোক যি অনুপ্ৰেৰণা দিলে তাৰবাবে মৰম ও বুজাবুজি সদায় সজীৱ হৈ থাকিব।

সবো সত্বা সুনীতা ভনন্ত

চাও অং চিং শ্যাম, বি.এ.ই, এল,টি
অমৃত নগৰ, সাপেখাতী
শিৱসাগৰ, অসম।

সূচীপত্ৰ

প্ৰথম পাঠ
ত্তাই বৰ্ণমালা 1

দ্বিতীয় পাঠ
ত্তাই ভাষাত স্বৰচিহ্ন 3

তৃতীয় পাঠ
ত্তাই ভাষা একাক্ষৰী শব্দ 4

চতুৰ্থ পাঠ
বানানৰ ব্যৱহাৰ 5

পঞ্চম পাঠ
সম্বন্ধবাচক বিশেষ্য 6

ষষ্ঠ পাঠ
সৰ্ব্বনাম পদ 7

সপ্তম পাঠ
নিত্যবৰ্ত্তমান কাল 8

অষ্টম পাঠ
অতীত কাল 11

নৱম পাঠ
ভৱিষ্যত কাল 12

দশম পাঠ
সাত বাৰৰ নাম 14

একাদশ পাঠ
বাৰ মাহৰ নাম 15

দ্বাদশ পাঠ
প্ৰশ্নবোধক শব্দ 15

ত্ৰয়োদশ পাঠ
সুৰ 17

চতুৰ্দশ পাঠ
ক্ৰিয়া পদ সমূহ 20

পঞ্চদশ পাঠ
সমন্ধ পদ 23

ষষ্ঠ দশ পাঠ
খাদ্য সামগ্ৰী 25

সপ্ত দশ পাঠ
মানুহৰ দোষ-গুণ 28
মানুহৰ অংগ 29
মাছ-মাংস 30
ঘৰুৱা সামগ্ৰী (ক) 31
কাপোৰ আৰু সাজ পোছাক 32
ঘৰুৱা সামগ্ৰী (খ) 33
ৰাজ্য সম্বন্ধীয় 44
প্ৰকৃতিৰ বস্তু 35
পঢ়াশালী সম্পকীয় 36
উদ্ভিদৰ নাম 36
জন্তুৰ নাম 37
চৰাই নাম 38

প্ৰথম পাঠ
ত্তাই বৰ্ণমালা

ত্তাই ভাষাৰ ব্যঞ্জন বৰ্ণবোৰ 'আ' কাৰ সংযোগ কৰি উচ্চাৰণ কৰা হয়।

কা	খা	ঙা	চা	ছা	ঞা
তা	থা	না	পা	ফা	মা
য়া	লা	বা	হা	আ	ৰা

ত্তাই ভাষাৰ স্বৰ চিহ্ন	অসমীয়া স্বৰচিহ্ন	ত্তাই স্বৰ চিহ্নৰ ব্যৱহাৰ					
৲	আ -া	কা	খা	ঙা	চা	ছা	ঞা
৲	ই -ি	কি	খি	ঙি	চি	ছি	ঞি
৲	ঈ -ী	কী	খী	ঙী	চী	ছী	ঞী
৲	উ -ু	কু	খু	ঙু	চু	ছু	ঞু
৲	ঊ -ূ	কূ	খূ	ঙূ	চূ	ছূ	ঞূ

এ - ে	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
	কে	খে	ঙে	চে	ছে	এ্রে
ঐ - ৈ	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
	কৈ	খৈ	ঙৈ	চৈ	ছৈ	এ্রৈ
আই	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
	কাই	খাই	ঙাই	চাই	ছাই	এ্রাই
আম	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
	কাম	খাম	ঙাম	চাম	ছাম	এ্রাম
কেম	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
	কেম	খেম	ঙেম	চেম	ছেম	এ্রেম
্য	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
	ক্য	খ্য	ঙ্য	চ্য	ছ্য	এ্রয
ও	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
	কাও	খাও	ঙাও	চাও	ছাও	এ্রাও
ৰ	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
	কাৰ	খাৰ	ঙাৰ	চাৰ	ছাৰ	এ্রাৰ
অ	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]	[illegible]
	কৰ	খৰ	ঙৰ	চৰ	ছৰ	এ্রৰ

■■■■

দ্বিতীয় পাঠ

ত্তাই ভাষাত স্বৰচিহ্ন যুক্ত এটা বৰ্ণই একোটা অৰ্থ বুজায়।

[illegible]	কা	যোৱা	[illegible]	কাৰ	মই
[illegible]	মা	অহা	[illegible]	হাও	আমি
[illegible]	পা	মাছ	[illegible]	খাও	ভাত
[illegible]	পা	আপা, বৰমাক	[illegible]	কৈ	কল
[illegible]	না	পথাৰ	[illegible]	খাও	ভাত
[illegible]	আ	পেহী	[illegible]	মে	মাতৃ
[illegible]	খী	পাইখানা	[illegible]	চাই	ককাইদেউ
[illegible]	তী	ঠাই	[illegible]	চাউ	দেউতা
[illegible]	ফী	দেৱতা	[illegible]	ছু	তোমালোক
[illegible]	কাই	কুকুৰা	[illegible]	ৱা	কথা কোৱা
[illegible]	খাই	কণী	[illegible]	ফা	কাপোৰ,আকাশ
[illegible]	কাঃ	নচা	[illegible]	খু	হঁহা
[illegible]	খাই	বেচা	[illegible]	হাই	কন্দা
[illegible]	লে	ফুৰা	[illegible]	চু	কিনা
[illegible]	ফাই	জুই	[illegible]	ছাউ	ঠিয় হোৱা
[illegible]	লা	ল'ৰা, পলম	[illegible]	খা	বিচৰা
[illegible]	ঙা	দাঁত, তিল			

পঢ়া পাঠ ঃ [illegible]

[illegible]

বিঃ দ্রঃ পঢ়োতে প্রতিটো বৰ্ণ 'আ' কাৰ উচ্চাৰণ কৰি পঢ়িব লাগে।

স্বৰ চিহ্ন যুক্ত বৰ্ণবোৰ পঢ়া -



তৃতীয় পাঠ

ত্তাই ভাষা একাক্ষৰী শব্দৰ ভাষা। এই ভাষাত শব্দৰ সুৰ সলনি হয় আৰু অৰ্থও বেলেগ হয়। ত্তাই ভাষাৰ ৬ (ছয়) টা সুৰ আছে।

১	ᨠᩣ	কা	যোৱা	সম মধ্যম সুৰ
˩˩	ᨠᩣ	কা	কাউৰী	উচ্চ সুৰ
২	ᨠᩣ	কা	বেপাৰ কৰা	অনুদাত্ত সুৰ
˧	ᨠᩣ	কা	কঠিয়া	গম্ভীৰ কণ্ঠৰ সুৰ
৪	ᨠᩣ	কা	নচা	গম্ভীৰ সুৰ
৬	ᨠᩣ	কা	দুখৰ মাত	উচ্চ উদাত্ত সুৰ
১	ᨡᩣ	খা	হেন্দালি, বিয়া দিয়া	সম মধ্যম সুৰ
˩˩	ᨡᩣ	খা	খেৰ	উচ্চ সুৰ
২	ᨡᩣ	খা	পৰচৰ্চ্চা কৰা	অনুদাত্ত সুৰ
˧	ᨡᩣ	খা	চাকৰ, মাৰি পেলোৱা	গম্ভীৰ কণ্ঠৰ সুৰ
৪	ᨡᩣ	খা	গছৰ ডাল	গম্ভীৰ সুৰ
৬	ᨡᩣ	খা	বিচৰা, তপিনা, সোঁফাল	উচ্চ উদাত্ত সুৰ

নতুন শিকাৰু সকলে সংবৃত (Close tone) আৰু বিবৃত (Open tone) সুৰত অভ্যাস কৰা ভাল।

চতুৰ্থ পাঠ

বানানৰ ব্যৱহাৰ

ত্তাই ভাষাৰ প্ৰতিটো ব্যঞ্জন বৰ্ণৰ স্বৰবৰ্ণৰ চিহ্ন যোগ হোৱাৰ পদ্ধতি মুখেৰে কওঁতে বৰ্ণৰ ক্ৰম অনুসৰি কব লাগে।

ᨠᩣ - ᨠᩣ	খ্যা ᨠᩣ কা	কত -া কাৰে কা
ᨡᩣ - ᨡᩣ	খ্যা ᨡᩣ খা	খত -া কাৰে খা
ᨠᩤ - ᨠᩣ	লুঙ তেন ᨠᩤ কি	কত -ি কাৰে কি
ᨡᩤ - ᨡᩣ	লুঙ তেন ᨡᩤ খি	খত -ি কাৰে খি
ᨠᩦ - ᨠᩣ	লুঙ তেন চাঙ খাত ᨠᩦ কী	কত -ী কাৰে কী
ᨡᩦ - ᨡᩣ	লুঙ তেন চাঙ খাত ᨡᩦ খী	খত -ী কাৰে খী
ᨠᩩ - ᨠᩣ	নিখঙ ঙেন ᨠᩩ কু	কত -ু কাৰে কু
ᨡᩩ - ᨡᩣ	নিখঙ ঙেন ᨡᩩ খু	খত -ু কাৰে খু
ᨠᩪ - ᨠᩣ	তি ফ্ৰঙ ঙেন ᨠᩪ কূ	কত -ূ কাৰে কূ
ᨡᩪ - ᨡᩣ	তি ফ্ৰঙ ঙেন ᨡᩪ খূ	খত -ূ কাৰে খূ
ᨠᩮ -ᨠᩣ	চা ৰাই থুঃ কা এ ᨠᩮ কে	কত -ে কাৰে কে
ᨡᩮ - ᨡᩣ	চা ৰাই থুঃ কা এ ᨡᩮ খে	খত -ে কাৰে খে
ᨠᩲ - ᨠᩣ	ৰাচৈ ᨠᩲ কৈ	কত -ৈ কাৰে কৈ
ᨡᩲ - ᨡᩣ	ৰাচৈ ᨡᩲ খৈ	খত -ৈ কাৰে খৈ
ᨠᩣᩴ - ᨠᩣ	নাপেত ᨠᩣᩴ কাই	কত আই কাৰে কাই
ᨡᩣᩴ - ᨡᩣ	নাপেত ᨡᩣᩴ খাই	খত আই কাৰে খাই
ᨠᩴ - ᨠᩣ	চিতি কেন ᨠᩴ কাম	কত আম কাম
ᨡᩴ - ᨡᩣ	চিতি কেন ᨡᩴ খাম	খত আম খাম
ᨠᩮᩴ -ᨠᩣ	চিতি তেন চাত ᨠᩮᩴ কেম	কত এম কেম
ᨡᩮᩴ - ᨡᩣ	চিতি তেন চাত ᨡᩮᩴ খেম	খত এম খেম
ᨠᩮᩣ- ᨠᩣ	য়া য়েৎ খ্যা ᨠᩮᩣ ক্যা	কত -্য কাৰে ক্যা

[illegible]	য়া য়েৎ খ্যা [illegible] খ্যা	খত -ৃ কাৰে খ্যা
[illegible]	হাঠু চাত [illegible] কাও	কত ও কাৰে কাও
[illegible]	হাঠু চাত [illegible] খাও	খত ও কাৰে খাও
[illegible]	ৰাচৈ নাথু পেত [illegible] কাৰ	কত ৰ কাৰে কাৰ
[illegible]	ৰাচৈ নাথু পেত [illegible] খাৰ	খত ৰ কাৰে খাৰ
[illegible]	চাৰৈ থুকা খ্যা [illegible] কঅ	কত অ কাৰে কঅ
[illegible]	চাৰৈ থুকা খ্যা [illegible] খঅ	খত অ কাৰে খঅ

বিঃদ্রঃ অন্যান্য বর্ণবোৰো উল্লেখিত পদ্ধতিৰে ক'ব লাগিব।

■■■■

পঞ্চম পাঠ

সম্বন্ধবাচক বিশেষ্য

ত্তাই ভাষাত সমন্ধবাচক বিশেষ্য শব্দবোৰৰ কিছু বিশেষত্ব আছে।

১) ত্তাই ভাষাত জেষ্ঠ বুজাবলৈ বিশেষ্য শব্দৰ আগত [illegible] পী বহে। যেনে -

[illegible]	পী চাই	ককাইদেউ
[illegible]	পী ছাও	বাইদেউ

২) কণিষ্ঠ বুজাবলৈ বিশেষ্য শব্দৰ আগত [illegible] নঙ বহে।

[illegible]	নঙ চাই	ভাই
[illegible]	নঙ ছাও	ভনী

৩) সন্তান বুজোৱা পুত্ৰ বা কন্যাৰ আগত [illegible] লুক ব্যৱহাৰ হয়।

[illegible]	লুক চাই	পুত্ৰ
[illegible]	লুক ছাৰ	কন্যা

৪) ডেকা বা জীয়ৰী বুজোৱা শব্দৰ আগত [illegible] পা বহে।

[illegible]	পা মাৰ	ডেকা ল'ৰা বা যুৱক
[illegible]	পা ছাৰ	জীয়ৰী বা যুৱতী

৫) বৈবাহিক সমন্ধত বিশেষ্য শব্দৰ পাছত [illegible] খৈ ব্যৱহাৰ হয়।

[illegible]	পী খৈ	ভিনিদেউ
[illegible]	আ খৈ	পেহাদেউ
[illegible]	না খৈ	মহাদেউ
[illegible]	নঙ খৈ	ভনী জোঁৱাই
[illegible]	লুক খৈ	জী জোঁৱাই

৬) পুত্ৰ বা ভাই বোৱাৰীক বুজাবলৈ শব্দৰ পাছত [illegible] পাও বহে।

[illegible]	লুক পাও	পু বোৱাৰী
[illegible]	নঙ পাও	ভাই বোৱাৰী

৭) নাতি বা নাতিনীক বুজাবলৈ বিশেষ্য শব্দৰ আগত [illegible] লান বহে।

[illegible]	লান চায়	নাতি
[illegible]	লান ছাও	নাতিনী

■■■■

ষষ্ঠ পাঠ

সৰ্ব্বনাম পদ

একবচন	বহুবচন
[illegible] কাৰ - মই	[illegible] হাও - আমি
[illegible] মাও - তুমি	[illegible] ছু - তোমালোক
[illegible] মান - সি/তাই	[illegible] খাৰ - সিহঁত

মান্যাৰ্থত-

[illegible] মাও চাও - আপুনি [illegible] ছু চাও - আপোনালোক

[illegible] মান চাও- তেখেত	[illegible] খাৰ চাও- তেখেতসকল
[illegible] আন কাৰ-মোৰ	[illegible] আন হাও-আমাৰ
[illegible] আন মাও-তোমাৰ/ আপোনাৰ	[illegible] আন ছু-তোমালোকৰ/ আপোনালোক
[illegible] আন মান-তেওঁৰ/ তেখেতৰ	[illegible] আন খাৰ-সিহঁতৰ/ তেখেতসকল

একবচন	বহুবচন
[illegible] হাং কাৰ - মোক	[illegible] হাং হাও - আমাক
[illegible] হাং মাৰ - তোমাক/ আপোনাক	[illegible] হাং ছু - তোমালোকক/ আপোনালোকক
[illegible] হাং মান - তেওঁক/ তাইক	[illegible] হাং খাৰ - সিহঁতক /তেখেতক

■■■■

সপ্তম পাঠ

নিত্যবৰ্ত্তমান কাল

'[illegible]' কা ক্ৰিয়া কামটো হোৱা আৰু নোহোৱা বাক্যত

পুৰুষ	একবচন	বহুবচন
১ম	[illegible] কাৰ কা- মই যাওঁ	[illegible] হাও কা - আমি যাওঁ
২য়	[illegible] মাও কা- তুমি যোৱা	[illegible] ছু কা - তোমালোক যোৱা
৩য়	[illegible] মান কা- সি যায়	[illegible] খাৰ কা - সিহঁতে যায়

[illegible] কাৰ ইং কা- মই নেযাওঁ	[illegible] হাও ইং কা- আমি নেযাওঁ
[illegible] মাও ইং কা- তুমি নোযোৱা	[illegible] ছু ইং কা- তোমালোকে নোযোৱা
[illegible] মান ইং কা - সি/তাই নেযায়	[illegible] খাৰ ইং কা - সিহঁতে নেযায়।

পঢ়া পাঠ ঃ

[illegible] কাৰ কা তি মান আন হাউ -
- মই আমাৰ গাঁৱলৈ যাওঁ।

[illegible] মাও কা না চাঙ নাই - তুমি এতিয়া যোৱা দেই।

[illegible] তি [illegible] মান তি থা কা - সি ক'লৈ যায়।

[illegible] হাও ইং কা ম' হুক - আমি কালিলৈ নেযাওঁ।

[illegible] হাও কা তি ছন লিক - আমি স্কুললৈ যাওঁ।

প্ৰশ্নবোধক বাক্য

পুৰুষ	একবচন	বহুবচন
১ম	[illegible] কাৰ কা ল- মই যাওঁ নে?	[illegible] হাও কা ল- আমি যাওঁ নে?
২য়	[illegible] মাও কা ল- তুমি যোৱা নে?	[illegible] ছু কা ল- তোমালোক যোৱা নে?
৩য়	[illegible] মান কা ল- সি/তাই যায় নে?	[illegible] খাৰ কা ল- সিহঁতে যায় নে?

১) নিত্য বৰ্ত্তমান কালৰ বাক্যত ক্ৰিয়াৰ আগত বা পাছত কোনো শব্দ ব্যৱহাৰ নহয়। যেনে - কৰ্ত্তা + ক্ৰিয়া + [illegible] কাৰ +[illegible] কিন - মই খাওঁ।

২) নিত্য বৰ্ত্তমান কালৰ বাক্যটো নোহোৱা বা নকৰা নেতিবাচক বাক্য

কৰিবলৈ ক্ৰিয়াটোৰ আগত ꯍꯤꯡ ইং ব্যৱহাৰ কৰিব লাগে। যেনে- ꯑꯩ ꯍꯤꯡ ꯑꯣꯏꯕ ꯁꯤ - কাৰ ইং কিন খাও - মই ভাত নেখাওঁ।

৩) নিত্য বৰ্ত্তমান কালৰ বাক্যটো প্ৰশ্নবোধক কৰিবলৈ হ'লে ক্ৰিয়াটোৰ পাছত ꯂꯩ ল' ব্যৱহাৰ হয়। যেনে- ꯑꯦꯛ ꯑꯣꯏ ꯂꯩ - মাৰ কা ল' - তুমি যোৱানে?

৪) এই কালৰ বাক্যটো অলপ সময়ৰ আগতে শেষ হোৱা বুজালে ক্ৰিয়াৰ পাছত ꯔꯤ য় ব্যৱহাৰ হয়। যেনে - ꯑꯩ ꯑꯣꯏ ꯔꯤ কাৰ কা য় - মই গলো। ꯃꯍꯩ ꯃꯤ ꯔꯤ মান মা য় - সি আহিলে।

পঢ়া পাঠ ঃ

ꯅꯨꯡ ꯑꯣꯏꯕ ꯂꯩ ছু কিন ল' - তোমালোকে খোৱানে?
ꯑꯦꯛ ꯃꯤ ꯂꯩ মাৰ মা ল' - তুমি আহানে?
ꯑꯩꯒꯤ ꯑꯣꯏꯕ ꯔꯤ হাউ কিন য় - আমি খালো।
ꯁꯤ ꯑꯣꯏ ꯔꯤ খাৰ কা য় - সিহঁতে গ'ল।
ꯍꯍꯩ ꯑꯣꯏꯕ ꯔꯤ মান লন য় - সি শুলে।

ত্তাই খাময়াঙ ভাষাত বৰ্ত্তমানত চলি থকা কাৰ্যটো বুজাবলৈ ক্ৰিয়াটোৰ পাছত ꯅꯨꯡ ছু ব্যৱহাৰ হয়।

ক্ৰিয়া ꯍꯤꯡꯕ ফাত - পঢ়া

পুৰুষ	একবচন	বহুবচন
১ম	ꯑꯩ ꯍꯤꯡꯕ ꯅꯨꯡ কাৰ ফাত ছু মই পঢ়ি আছো।	ꯑꯩꯒꯤ ꯍꯤꯡꯕ ꯅꯨꯡ হাও ফাত ছু আমি পঢ়ি আছো।
২য়	ꯑꯦꯛ ꯍꯤꯡꯕ ꯅꯨꯡ মাও ফাত ছু তুমি পঢ়ি আছা।	ꯅꯨꯡ ꯍꯤꯡꯕ ꯅꯨꯡ ছু ফাত ছু তোমালোকে পঢ়ি আছা।
৩য়	ꯍꯍꯩ ꯍꯤꯡꯕ ꯅꯨꯡ মান ফাত ছু সি পঢ়ি আছে।	ꯁꯤ ꯍꯤꯡꯕ ꯅꯨꯡ খাৰ ফাত ছু সিহঁতে পঢ়ি আছে।

ꯍꯨꯡ লন - শুৱা, ꯍꯩꯕ লাঙ- বহা ক্ৰিয়া দুটা ধাতু ৰূপ কৰা অন্যান্য ক্ৰিয়াৰ ৰূপো একেই হ'ব।

পঢ়া পাঠঃ

ꯑꯩ ꯑꯣꯏꯕ ꯅꯨꯡ ꯁꯤ কাৰ কিন ছু খাৰ - মই ভাত খাই আছো।
ꯑꯦꯛ ꯍꯨꯡ ꯅꯨꯡ ꯍꯩꯕ ꯑꯣꯏ মাৰ লন ছু চাং নাই - তুমি এতিয়া শুই আছা।
ꯍꯍꯩ ꯃꯤ ꯅꯨꯡ ꯑꯣꯏ ꯍꯨꯡ ꯍꯩꯕ মান মা ছু তি ছন লিক - সি স্কুললৈ আহি আছে।
ꯑꯩꯒꯤ ꯑꯣꯏ ꯅꯨꯡ হাৰ ৰা ছু - আমি কথা পাতি আছো।

■■■■

অষ্টম পাঠ

অতীত কাল

অতীত কাল ঃ যি কাৰ্য আগতে হৈ গ'ল। অতীত কালৰ বাক্যত ক্ৰিয়াৰ পাছত ꯑꯣ বাই বহুৱাব লাগে।

ক্ৰিয়া 'ꯂꯩ' কা

ꯑꯩ ꯂꯩ ꯑꯣ কাৰ কা ৰাই মই গৈছিলো।	ꯑꯩꯒꯤ ꯂꯩ ꯑꯣ হাও কা ৰাই আমি গৈছিলো।
ꯑꯦꯛ ꯂꯩ ꯑꯣ মাও কা ৰাই তুমি গৈছিলা।	ꯅꯨꯡ ꯂꯩ ꯑꯣ ছু কা ৰাই তোমালোক গৈছিলা।
ꯍꯍꯩ ꯂꯩ ꯑꯣ মান কা ৰাই সি গৈছিল।	ꯁꯤ ꯂꯩ ꯑꯣ খাৰ কা ৰাই সিহঁত গৈছিল।

ꯍꯤꯡꯕ ফাত - পঢ়া, ꯃꯤ মা - অহা ক্ৰিয়া দুটা ৰূপ কৰা

নেতিবাচক বাক্যত ক্ৰিয়াৰ আগত ꯍꯤꯡ ইং বহোৱাব লাগে। যেনে - ꯑꯩ ꯍꯤꯡ ꯂꯩ ꯑꯣ কাৰ ইং কা ৰাই - মই যোৱা নাছিলো।

প্ৰশ্নবোধক বাক্যৰ ৰূপঃ

ক্ৰিয়া ꯀꯤ কা - যোৱা

পুৰুষ	একবচন	বহুবচন
১ম	ꯑꯩ ꯀꯤ ꯑꯣ ꯂꯩ কাৰ কা ৰাই ল'	ꯑꯩꯍꯧꯗꯤ ꯑꯣ ꯂꯩ হাউ কা ৰাই ল'
	মই গৈছিলো নে?	আমি গৈছিলো নে?
২য়	ꯑꯦꯟ ꯀꯤ ꯑꯣ ꯂꯩ মাও কা ৰাই ল'	ꯑꯩꯅꯥ ꯑꯣ ꯂꯩ ছু কা ৰাই ল'
	তুমি গৈছিলা নে?	তোমালোকে গৈছিলা নে?
৩য়	ꯑꯃꯁꯨꯡ ꯀꯤ ꯑꯣ ꯂꯩ মান কা ৰাই ল'	ꯑꯁꯤꯡꯕꯤ ꯑꯣ ꯂꯩ খাৰ কা ৰাই ল'
	সি/তাই গৈছিল নে?	সিহঁতে গৈছিল নে?

প্ৰশ্নবোধক বাক্যৰ শেষত ꯂꯩ ল' ব্যৱহাৰ হয়।

ꯀꯤꯍꯥꯡ কিন -খোৱা, ꯃꯤ মা- অহা ক্ৰিয়া দুটা ধাতু ৰূপ কৰা

■■■■

নৱম পাঠ

ভৱিষ্যত কাল

যি কাৰ্য্য আগলৈ হ'ব বুজায়। ভৱিষ্যত কাল বুজাবলৈ ক্ৰিয়া পদৰ আগত ꯀꯥꯡ তাক, ꯀꯤ তী ব্যৱহাৰ হয়। তাই খাময়াং ভাষাত ক্ৰিয়াৰ আগত ꯀꯣ তে ব্যৱহাৰ কৰা দেখা যায়।

ধাতু ৰূপঃ ক্ৰিয়া - ꯀꯤ কা - যোৱা

ꯑꯩ ꯀꯤ ꯀꯤ কাৰ তি কা	ꯑꯩꯍꯧꯗꯤ ꯀꯤ হাও তি কা
মই যাম।	আমি যাম।
ꯑꯦꯟ ꯀꯤ ꯀꯤ মাও তি কা	ꯑꯩꯅꯥ ꯀꯤ ꯀꯤ ছু তি কা
তুমি যাবা	তোমালোকে যাবা
ꯑꯃꯁꯨꯡ ꯀꯤ ꯀꯤ মান তি কা	ꯑꯁꯤꯡꯕꯤ ꯀꯤ ꯀꯤ খাৰ তি কা
সি/তাই যাব	সিহঁতে যাব।

নেতিবাচক (Negative)

ꯑꯩ ꯀꯤ ꯑꯣꯏꯕ ꯀꯤ কাৰ তি ইং কা	ꯑꯩꯍꯧꯗꯤ ꯀꯤ ꯑꯣꯏꯕ ꯀꯤ হাও তি ইং কা
মই নেযাম।	আমি নেযাম।
ꯑꯦꯟ ꯀꯤ ꯑꯣꯏꯕ ꯀꯤ মাও তি ইং কা	ꯑꯩꯅꯥ ꯀꯤ ꯑꯣꯏꯕ ꯀꯤ ছু তি ইং কা
তুমি নেযাবা	তোমালোকে নেযাবা
ꯑꯃꯁꯨꯡ ꯀꯤ ꯑꯣꯏꯕ ꯀꯤ মান তি ইং কা	ꯑꯁꯤꯡꯕꯤ ꯀꯤ ꯑꯣꯏꯕ ꯀꯤ খাৰ তি ইং কা
সি/তাই নেযাব	সিহঁতে নেযাব।

প্ৰশ্নবোধক বাক্য (Interrogative)

পুৰুষ	একবচন	বহুবচন
১ম	ꯑꯩ ꯀꯤ ꯀꯤ ꯂꯩ	ꯑꯩꯍꯧꯗꯤ ꯀꯤ ꯀꯤ ꯂꯩ হাও তি কা ল'
	কাৰ তি কা ল'-মই যাম নে?	আমি যাম নে?
২য়	ꯑꯦꯟ ꯀꯤ ꯀꯤ ꯂꯩ	ꯑꯩꯅꯥ ꯀꯤ ꯀꯤ ꯂꯩ ছু তি কা ল'
	মাও তি কা ল'-তুমি যাবা নে?	তোমালোকে যাবা নে?
৩য়	ꯑꯃꯁꯨꯡ ꯀꯤ ꯀꯤ ꯂꯩ	ꯑꯁꯤꯡꯕꯤ ꯀꯤ ꯀꯤ ꯂꯩ খাৰ তি কা ল'
	মান তি কা ল'-সি/তাই যাব নে?	সিহঁতে যাব নে?

পঢ়া পাঠ ঃ

ꯑꯩ ꯀꯤ ꯃꯤ কাৰ তি মা - মই আহিম।

ꯑꯃꯁꯨꯡ ꯀꯤ ꯃꯤ ꯂꯩ মান তি মা ল' - সি/তাই আহিব নে?

ꯑꯩ ꯀꯤꯍꯥꯡ ꯑꯣ কাৰ কিন ৰাই - মই খাইছিলো।

ꯑꯩꯅꯥ ꯀꯤꯍꯥꯡ ꯑꯣ ꯂꯩ ছু কিন ৰাই ল' - তোমালোকে খাইছিলা নে?

ꯑꯩꯍꯧꯗꯤ ꯑꯣ হাও কা ৰাই - আমি গৈছিলো।

ꯑꯩ ꯍꯧꯗꯦ ꯑꯣꯏ কাৰ ফাত ছু - মই পঢ়ি আছো।
ꯑꯩꯅꯥ ꯑꯣꯏ ꯍꯧꯖꯤ মাও কা ৰাই ল' - তুমি গৈছিলা নে?
ꯑꯩꯍꯥꯛ ꯍꯧꯖꯤ ꯑꯣꯏꯔꯦ মান তে মা ম' হুক - সি কালিলৈ আহিব।

ত্তাই ভাষালৈ অনুবাদ কৰাঃ-

মই নেযাওঁ। তুমি পঢ়িবা। আমি ভাত খাইছিলো। তোমালোকে যাবা দেই। মই পঢ়ি আছো। সি গৈ আছে। তুমি খাই আছা নে? সিহঁতে লিখে। তুমি আহিছিলা। মই নেকান্দো। সিহঁতে হাঁহিছিল। মই আহিলো। সিহঁতে খেলিলে। মই নেজানো। আমি ভালকৈ জানো। তুমি নেজানা।

অসমীয়ালৈ অনুবাদ কৰা -

ꯑꯩ ꯑꯣ ॥ ꯑꯩꯍꯥꯛ ꯑꯣ ॥ ꯑꯩꯍꯥꯛ ꯑꯣꯏꯔꯦ ॥ ꯑꯩꯍꯥꯛ ꯑꯣ ॥ ꯑꯩꯍꯥꯛ ꯑꯣꯏꯔꯦ ॥ ꯑꯩꯅꯥꯍꯥꯛ ॥ ꯑꯣꯏ ꯑꯩꯍꯥꯛ ॥ ꯑꯩ ꯑꯣꯏꯔꯦ ॥

■■■■

দশম পাঠ

সাত বাৰৰ নাম ঃ

ꯇꯥ ꯑꯣꯏ ꯑꯥꯑꯩ	তা লাঙ কা নয়	দেও বাৰ
ꯇꯥ ꯑꯣꯏ ꯑꯥꯑꯥ	তা লাঙ কা না	সোম বাৰ
ꯑꯥꯏ ꯑꯥ	আঙ কা	মঙ্গল বাৰ
ꯄꯨꯔ ꯑꯥꯛ ꯑꯣ	পুক থা হু	বুধ বাৰ
ꯑꯥꯡ ꯑꯣꯏ ꯇꯣ	ক্যা ছাপ তে	বৃহস্পতি বাৰ
ꯑꯩꯕꯨꯔ ꯑꯥꯡ	চক ক্যা	শুক্ৰ বাৰ
ꯑꯥꯛ ꯅꯦ	চা নে	শনি বাৰ

একাদশ পাঠ

বাৰ মাহৰ নাম

ত্তাই পঞ্জীকাৰ মতে আঘোন মাহৰ চন্দ্ৰৰ প্ৰতিপদৰ পৰা আউসীলৈকে নতুন বছৰৰ প্ৰথম মাহ বুলি গণনা কৰা হয়।

ত্তাই মাহ	উচ্চাৰণ	অসমীয়া
ꯅꯤꯡ ꯑꯣꯏ ꯑꯨꯟ	নোন চে যং	আঘোন -পুহ
ꯅꯤꯡ ꯑꯩ	নোন কাম	পুহ-মাঘ
ꯅꯤꯡ ꯑꯣꯝ	নোন ছাম	মাঘ-ফাগুন
ꯅꯤꯡ ꯑꯣꯤ	নোন ছী	ফাগুন-চ'ত
ꯅꯤꯡ ꯑꯥꯛ	নোন হা	চ'ত-বহাগ
ꯅꯤꯡ ꯑꯥꯕ	নোন হুক	বহাগ-জেঠ
ꯅꯤꯡ ꯑꯣꯏꯔꯦ	নোন চেত	জেঠ-আহাৰ
ꯅꯤꯡ ꯑꯦꯇ	নোন পেত	আহাৰ-শাওন
ꯅꯤꯡ ꯑꯩ	নোন কাৰ	শাওন-ভাদ
ꯅꯤꯡ ꯑꯣꯤꯄ	নোন ছিপ	ভাদ-আহিন
ꯅꯤꯡ ꯑꯣꯤꯄ ꯑꯣꯤꯇꯦ	নোন ছিপ ইত	আহিন-কাতি
ꯅꯤꯡ ꯑꯣꯤꯄ ꯑꯨꯟ	নোন ছিপ ছঙ	কাতি-আঘোন

■■■■

দ্বাদশ পাঠ

প্ৰশ্নবোধক শব্দ

ত্তাই	উচ্চাৰণ	অৰ্থ
ꯑꯤ ꯑꯥ	কি ছা	কি
ꯍꯧ ꯑꯥ	প' ছা	কিয়

[illegible]	ফান না	কেনেকৈ
[illegible]	কা ছাঙ নে	কি হে
[illegible]	তী থা	ক'ত
[illegible]	থা	কলৈ
[illegible]	মা লা	কেতিয়া
[illegible]	মা না	”
[illegible]	ফা মান	কোন
[illegible]	মা হেত ছু	পৰহি
[illegible]	মা কাই	অথনি
[illegible]	তী থা	কলৈ
[illegible]	পী নাই	এই বছৰ
[illegible]	পী কাই	যোৱা বছৰ
[illegible]	পী না	অহা বছৰ

সময়

[illegible]আ খিঙ	ঃ	[illegible]॥
সময়		চাঙ নাই আখিঙ ইং যাং - এতিয়া সময় নাই।
[illegible] কাঙ নাৰ	ঃ	[illegible] মাও তে মা না ॥
ৰাতিপুৱা		কাঙ নাৰ মাও তে মা না - তুমি ৰাতিপুৱা আহিবা।
[illegible] কাঙ বান	ঃ	[illegible] ॥
দুপৰীয়া		কাৰ ইং কা কাঙ বান- মই দুপৰীয়া নেযাওঁ।
[illegible] বান চাই	ঃ	[illegible] ॥
আবেলি		পী কা না বান চাই - আবেলি নেযাবা দেই।
[illegible] ফাই খাম	ঃ	[illegible] ॥
গধূলি		মাউ ইং কা না ফাই খাম - তুমি গধূলি নেযাবা দেই

[illegible] কাঙ খাম	ঃ	[illegible] ॥
ৰাতি		মান ইং মা কাঙ খাম - সি ৰাতি নাহে।
[illegible] বান	ঃ	[illegible] ॥
দিন		পী মা না তাম বান - দিনত নাহিবা দেই।
[illegible] মা ঙা	ঃ	[illegible] ॥
কালি		মা ঙা কাৰ কা ৰাই - মই কালি আহিছিলো।
[illegible] ম' হুক	ঃ	[illegible] ॥
কালিলৈ		মাও তে মা না মৌৰ হুক - তুমি কালিলৈ আহিবা দেই।

■■■■

ত্ৰয়োদশ পাঠ

সুৰ

ত্তাই ভাষা শুনিবলৈ বৰ শুৱলা ভাষা বুলি জনা যায়। ইয়াৰ মূল কাৰণটো হ'ল ই এটা সুৰীয়া ভাষা। এই ভাষা একাক্ষৰী শব্দৰ ভাষা। প্ৰতিটো গোটীয়া শব্দই কোনো পৰিৱৰ্ত্তন নহৈ প্ৰতিটো সুৰেৰে একোটাকৈ অৰ্থ প্ৰকাশ কৰে। ত্তাই ভাষাত মুঠ ছয়টা সুৰ আছে। এই ছয়টা সুৰ ত্তাই জনগোষ্ঠী সকলৰ একেই। এই ছয়টা সুৰৰ বিৱৰণ তলত দিয়া হ'ল।

১। সম-মধ্যম সুৰ ঃ এই সুৰৰ উচ্চাৰণ উচ্চ আৰু সমান্তৰাল ভাবে আগবাঢ়ি যায়।

২। নিম্নগামী উচ্চ সুৰ ঃ এই সুৰৰ উচ্চাৰণ উচ্চ ধৰণে হৈ লাহে লাহে তললৈ নামি পৰে।

৩। গম্ভীৰ কণ্ঠৰ সুৰ ঃ এই সুৰৰ উচ্চাৰণ কণ্ঠৰ মধ্যম স্থানত আৰম্ভ হৈ ক্ৰমে নিম্নগামী হয়।

৪। নিম্নগামী মধ্যম সুৰ ঃ মধ্যম স্থানত আৰম্ভ হৈ তললৈ নামি আহে।

৫। নিম্ন সম সুৰ ঃ এই সুৰ নিম্নস্থানত উচ্চাৰণ হৈ সমান্তৰাল ভাৱে গতি

কৰে।

৬। উদ্ধগামী নিম্ন সুৰ ঃ নিম্ন অৱস্থানত আৰম্ভ হৈ উদ্ধগামী নিম্ন সুৰ ক্ষিপ্ৰভাৱে উদ্ধলৈ গতি কৰে।

তলত সুৰৰ বিভিন্ন ভাগ আৰু শব্দবোৰৰ এটি আভাস দিয়া হ'ল।

সম মধ্যম সুৰ	ঃ	কা	যোৱা
		খা	বিয়া দিয়া
		না	কাজিয়া কৰা
		মা	কান্ধ
		লাও	নিচুকোৱা
		খী	গাড়ীত উঠা
		ঙী	একতা
		ছু	চাপি অহা
		ফে	মেলি দিয়া
		ল'	পানী ঢলা
		আম	লগা
		অম	সেক লোৱা
		ওম	উপহাৰ
		খিঙ	জোখ
নিম্নগামী উচ্চ সুৰ	ঃ	কা	কাউৰী
		খা	খেৰ, ফৈদ
		না	পথাৰ, দেই
		মা	অহা
		লাও	কহুৱা
		ঙী	হৰিণ
		ছু	পুৰস্কাৰ
		ফে	পাট, শাস্ত্ৰ

		আম	গোপনে ৰখা
		খিঙ	শৰীৰ
গম্ভীৰ কণ্ঠৰ সুৰ	ঃ	কা	নাচ, কঠিয়া
		খা	চাকৰ
		না	সন্মুখ
		মা	বলিয়া
		লাও	মদ
		খি	মল, বেজাৰ
		ছু	মালি লোৱা
		ফে	কাঁহি
		ল'	ৰথ
		অম	মেৰিয়াই লোৱা
		ওখ	কোচত লোৱা
নিম্নগামী মধ্যম সুৰ	ঃ	কা	বেপাৰ কৰা
		খা	পৰ চৰ্চ্চা
		না	মমাই
		মা	ঘোঁৰা
		লাও	গঁৰাল
		ল	খোৰা
নিম্ন সম সুৰ	ঃ	কা	মূল্য
		খা	গছৰ ডাল
		না	গলি যোৱা
		মা	পানী সিঁচা
		লাও	জনাই দিয়া
		ঙি	দ্বিতীয় পুত্ৰ
		ফে	পোৱালি দিয়া

	ল’	চলি যোৱা
উদ্ধগামী নিম্ন সুৰ ঃ	কা	অব্যয় শব্দ
	খা	বিচৰা
	না	ডাঠ
	মা	কুকুৰ
	লাও	ফুচুলুৱা
	ছু	তোমালোক
	খিঙ	আদা

চতুদশ পাঠ

ক্রিয়া পদ সমূহ

ত্তাই	উচ্চাৰণ	অর্থ	ক্রিয়াৰ সৈতে বাক্য ৰচনা - পঢ়াৰ পাঠ
ꯑꯣꯏ	কিন	খোৱা	ꯑꯩ ꯑꯩ ꯑꯣꯏ ꯁꯤ কাৰ খাৰ কিন ছু- মই ভাত খাই আছো।
ꯀꯥ	কা	যোৱা	ꯑꯣꯏ ꯑꯣ ꯑꯩ ꯀꯥ - এতিয়া নেযাবা দেই।
ꯃꯥ	মা	অহা	ꯃꯥ ꯑꯣ মা ঠাই - ইয়ালৈ আহা।
ꯂꯩ	লে	ফুৰা	ꯑꯩ ꯀꯥ ꯂꯩ কাৰ কা লে - মই ফুৰিবলৈ যাওঁ।
ꯍꯤ	হাও	দিয়া	ꯑꯩ ꯑꯣꯏꯕ ꯍꯤ ꯑꯩ খাৰ চন হাৰ তী কাৰ- মোক অলপ ভাত দিয়া।
ꯍꯤ ꯃꯥ	হাৰ মা	আনা	ꯀꯥꯏ ꯑꯣꯏꯕ ꯍꯤ ꯃꯥ ফাক চন হাৰ মা- অলপ তৰকাৰী আনা।
ꯂꯣꯏꯕ	লন	শুৱা	ꯑꯩ ꯂꯣꯏꯕ ꯑꯣꯕ খাৰ লন য় - সিহঁতে শুলে।
ꯂꯩꯍ	লাঙ	বহা	ꯂꯩꯍ ꯑꯣꯏ ꯀꯥꯏ ꯑꯩ লাঙ তী তাঙ কা-

চকীতে বহক।

ꯀꯥꯏꯕ	ফাত	পঢ়া	ꯑꯩꯅ ꯀꯥꯏꯕ ꯑꯣꯕ ꯂꯩ ছু ফাত য় ল- তোমালোকে পঢ়িলা নে?
ꯀꯣꯕ	তেম	লিখা	ꯑꯣꯏ ꯀꯣꯕ ꯑꯣꯕ মান তেম য় - সি/তাই লিখিলে
ꯍꯨ	খু	হঁহা	ꯑꯩ ꯑꯣꯏꯕ ꯍꯨ ꯑꯩ কাৰ ইং খূ না- মই নেহাহো দেই।
ꯍꯥ	হাই	কন্দা	ꯑꯣ ꯍꯥ ꯑꯣꯏꯕ পী হাই ছেঙ - সোণটো নেকান্দিবা।
ꯕꯩ	ৰা	কথা কোৱা	ꯍꯤ ꯕꯩ ꯑꯣ হাৰ ৰা বাই - আমি কথা পাতিছিলো।
ꯂꯨꯏꯕ	লুক	শুই উঠা	ꯑꯣꯏ ꯂꯨꯏꯕ ꯑꯣꯕ ꯂꯩ মান লুক য় ল’ - সি শুই উঠিলে নে?
ꯑꯩꯕ	ছাৰ	ঠিয় হোৱা	ꯑꯩ ꯑꯩꯕ ꯑꯩꯅ খাৰ ছাৰ ছু - সিহঁতে ঠিয় হৈ আছে।
ꯇꯩꯍꯣꯏ	তঙ মাই	ভোক লগা	ꯑꯩ ꯇꯩꯍꯣꯏ কাৰ তঙ মাই - মোৰ ভোক লাগিছে।
ꯍꯥꯏ	হান	দেখা	ꯑꯣꯏ ꯍꯥꯏ ꯑꯣꯕ ꯑꯩ মান হান য় তী কাৰ
ꯍꯤꯕꯥ	নাই ঙিন	শুনা	ꯑꯩ ꯑꯣꯏꯕ ꯍꯤꯕꯥ কাৰ ইং নাই ঙিন- মই শুনা নাই।
ꯍꯥ ꯍꯨ	খা উ	ইচ্ছা কৰা	ꯑꯩꯅ ꯍꯥ ꯍꯨ ꯂꯩ মাও খা ও ল - তুমি ইচ্ছা কৰা নে?

<u>বাকী থকা ক্রিয়া সমূহ বাক্য ৰচনা কৰা -</u>

ꯍꯥꯏꯍꯣꯏ	হা হেঙ	পিয়াহ লগা
ꯍꯨ	চু	কিনা
ꯍꯤ	খাই	বেচা
ꯑꯥ	থা	বাট চোৱা
ꯀꯥꯤ	কা	নচা
ꯑꯣ ꯑꯥ	পী ফা	ৰোৱা

[illegible]	নুঙ	পিন্ধা
[illegible]	লয় নাম	সাতুৰা
[illegible]	লেন	খেল কৰা
[illegible]	থাই না	হাল বোৱা
[illegible]	ফাই	খোজ কঢ়া
[illegible]	খা	বিচৰা
[illegible]	লয়	ভাগৰ লগা
[illegible]	ৰেন	জপিওৱা
[illegible]	তাপ	চৰ মাৰা

ত্তাই	উচ্চাৰণ	অৰ্থ	বাক্য ৰচনা - পঢ়াৰ পাঠ
[illegible]	আপ নাম	গা ধুৱা	[illegible] মান আপ নাম ছু সি/তাই গা ধুই আছে।
[illegible]	লয় লয়	লাহে লাহে	[illegible] পী কা লয় লয় লাহে লাহে নেযাবা।
[illegible]	চিউ চিউ	খৰকৈ	[illegible] তি মা না চিউ চিউ- খৰকৈ আহিবা দেই
[illegible]	খী	পাইখানা কৰা	[illegible] কাৰ ইং খী চাঙ নাই। নাই - মই এতিয়া পাইখানা নকৰো।
[illegible]	য়েৰ	প্ৰচাৰ কৰা	[illegible] তী য়েও - প্ৰচাৰ কৰা ঠাই।
[illegible]	চাঙ	জনা	[illegible] কাৰ চাঙ নী নী মই ভালকৈ জানো।
[illegible]	খা লাই	হেপাহ কৰা	[illegible] কাৰ ইং খা লাই মই হেপাহ নকৰো।
[illegible]	কাম ৰঙ	ফুটনি কৰা	[illegible] পী কাম ৰঙ না ফুটনি নকৰিবা দেই।

[illegible]	হেত আমু	কাম কৰা	[illegible] মাও হেত আমু হেত য় - তুমি কামটো কৰিলা
[illegible]	খাই কিন	আলোচনা কৰা	[illegible] হাও তে খাই কিন আমি আলোচনা কৰিম।

■■■■

পঞ্চদশ পাঠ

সমন্ধ পদ

ত্তাই	উচ্চাৰণ	অসমীয়া
[illegible]	চাও ছা	ধৰ্ম্মগুৰু
[illegible]	ছা ছন চাঙ	শিক্ষা গুৰু
[illegible]	পূ লিন	আজু ককা
[illegible]	য়া লিন	আজু আইতা
[illegible]	পূ চাও	ককা, দেউতি
[illegible]	য়া চাও	আইতা
[illegible]	পূ নাই চাও	মাকৰ দেউতা
[illegible]	য়া নাই চাও	মাকৰ মাক
[illegible]	প' লুঙ	বৰ দেউতা
[illegible]	মে লুঙ, পা	আপা, বৰ মাক
[illegible]	চাও	দেউতা
[illegible]	মে	মাতৃ
[illegible]	আও চাও	দদাইদেউ
[illegible]	মে লূ	খুৰীদেউ
[illegible]	পী চাই	ককাইদেউ

ꯂꯨ	লূ	বৌ
ꯂꯨꯍꯧ	ফূ চাও	গিৰিয়েক
ꯌꯥꯡ	য়াঙ	ঘৈনী
ꯀꯥꯡ	ক'	বন্ধু
ꯃꯦ ꯀꯥꯡ	মে ক'	বান্ধবী
ꯄꯦ ꯀꯥꯡ	প' ক'	তাৰৈ
ꯃꯦ ꯀꯥꯡ	মে ক'	আমৈ
ꯅꯨꯡ ꯍꯥꯏ	নঙ চাই	ভাই
ꯅꯨꯡ ꯄꯨ	নঙ পাও	ভাই বোৱাৰী
ꯂꯨꯀꯥꯡ ꯍꯥꯏ	লুক চাই	ল'ৰা
ꯂꯨꯀꯥꯡ ꯄꯨ	লুক পাও	পু বোৱাৰী
ꯅꯨꯡ ꯌꯨ	নঙ ছাও	ভনী
ꯅꯨꯡ ꯑꯣꯏ	নঙ খৈ	বৈনাই
ꯂꯨꯀꯥꯡ ꯌꯨ	লুক ছাও	জী
ꯂꯨꯀꯥꯡ ꯑꯣꯏ	লুক খৈ	জোঁৱাই
ꯍꯥꯛ	আ	পেহী
ꯍꯥꯛ ꯑꯣꯏ	আ খৈ	পেহা
ꯄꯤ	পী	বাইদেউ
ꯄꯤ ꯑꯣꯏ	পী খৈ	ভিনিদেউ
ꯄꯦ ꯍꯨꯡ	প' চাও	শহুৰ
ꯃꯦ ꯍꯨꯡ	মে চাও	শাহু
ꯄꯦ ꯅꯥ	প' না	মোমাইদেউ
ꯃꯦ ꯅꯥ	মে না	মায়দেউ, মামী
ꯄꯦ ꯅꯨꯡ	প' নঙ	বিয়ে
ꯃꯦ ꯅꯨꯡ	মে নঙ	বিয়নী
ꯃꯦ ꯂꯥ ꯍꯨꯡ	মে লা চাও	মাহীদেউ

ꯄꯦ ꯑꯣꯏ	প' খৈ	মহাদেউ
ꯄꯨ ꯄꯤ	পু মাই	বৰলা
ꯃꯦ ꯄꯤ	মে মাই	বিধবা
ꯅꯤꯡ ꯍꯨꯅ	নাঙ অন	সৰু ছোৱালী
ꯌꯥꯡ ꯍꯨꯅ	চেঙ অন	সৰু ল'ৰা

পঢ়া আৰু অৰ্থ কোৱা ঃ

ꯅꯨꯡ ꯍꯥꯏ, ꯄꯤ ꯑꯣꯏꯅ, ꯌꯥ ꯍꯨꯡ, ꯌꯥ ꯅꯤ ꯍꯨꯡ, ꯄꯦ ꯅꯤꯡ ꯄꯨ ꯑꯣꯏꯅ, ꯄꯨ ꯅꯤ ꯍꯨꯡ, ꯂꯨꯀꯥꯡ ꯑꯣꯏ, ꯃꯦ ꯍꯨꯡ, ꯍꯥꯛꯀꯥ ꯑꯣꯏ, ꯃꯦ ꯍꯨꯡ ॥

ত্তাই ভাষালৈ অনুবাদ কৰা ঃ

দদাইদেউ, পু বোৱাৰী, ভাই বোৱাৰী, শাহু, ককাইদেউ, মাকৰ মাক, খুৰীদেউ, ভনী, আজু ককা, বন্ধৱী, মামী, বিয়নী, বৈনাই, আজু আইতা তাৰৈ।

■■■■

ষষ্ঠ দশ পাঠ

খাদ্য সামগ্ৰী

ত্তাই	উচ্চাৰণ	অসমীয়া
ꯑꯣꯏ	খাৰ	ভাত
ꯑꯣꯏ ꯇꯥꯏ	খাৰ টাই	লাহী ভাত
ꯑꯣꯏ ꯅꯨ	খাৰ নু	বৰা ভাত
ꯑꯣꯏ ꯂꯥ	খাৰ ল'	বৰ ভাত
ꯑꯣꯏ ꯍꯨꯝ	খাৰ হম	জহা ভাত
ꯑꯣꯏ ꯂꯥꯝ	খাৰ লাম	চুঙা ভাত

[illegible]	খাৰ হ’	টোপোলা ভাত
[illegible]	খাৰ হাই	চেৰা ভাত
[illegible]	খাৰ কাত	পইতা ভাত
[illegible]	খাৰ নাম পা	খিচিৰি
[illegible]	খাৰ তেক	আখৈ
[illegible]	খাৰ পঙ	সান্দহ
[illegible]	খাৰ ম’	পিঠা
[illegible]	খাৰ কাঙ লাও	পুৱাৰ ভাত
[illegible]	খাৰ কাঙ ৱান	দুপৰীয়া ভাত
[illegible]	খাৰ কাঙ খাম	গধূলি ভাত
[illegible]	নাম	পানী
[illegible]	ফাক	শাক
[illegible]	পা কাত	লাই
[illegible]	পা কাত হু	বন্ধা কবি
[illegible]	পা কাত মক	ফুল কবি
[illegible]	পা কাত লম	ওল কবি
[illegible]	মাক চাঙ ফ’	অমৃতা
[illegible]	মাক লিও	নেমু
[illegible]	থু নেঙ	ৰঙা দাইল
[illegible]	মান কা ৰা	আলু
[illegible]	পা কাত মান	সৰিয়হ
[illegible]	থ’ থেপ	দাংবদি
[illegible]	ফাক ম লম	খুতুৰা
[illegible]	পাপাক খাম	ৰঙালাও
[illegible]	পাক মুন	কোমোৰা
[illegible]	তাও মৈ	জাতি লাও

[illegible]	প’ লৈ	জিকা
[illegible]	প’ মক	ভূল
[illegible]	তেঙ	তিয়ঁহ
[illegible]	পে ছেঙ	মৰা শাক
[illegible]	পী কী	ধনীয়া
[illegible]	ল’	বাঁহ গাজ
[illegible]	ফ’ক	কচু
[illegible]	প’ কুত	ঢেকীয়া
[illegible]	খাৰ মিন	হালধি
[illegible]	মী ফিত	জলকীয়া
[illegible]	ফাক তাম	পিতিকা
[illegible]	কুৰ	নিমখ
[illegible]	নাম মান কিন	মিঠা তেল
[illegible]	প’ ল’ মু	পিয়াজ
[illegible]	প’ ল’ চিঙ	নহৰু
[illegible]	ফাক মন	কচু থুৰী
[illegible]	মাক খ’	বেঙেনা
[illegible]	থ’ লিন	মাটি মাহ

পঢ়া আৰু অৰ্থ কোৰাঃ [illegible]. [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible]। তাই ভাষালৈ অনুবাদ কৰাঃ কচুথুৰী, বেঙেনা, জলকীয়া, জিকা, হালধি, ওল কবি, গধূলী ভাত, অমৃতা, সান্দহ, কোমোৰ, তিয়ঁহ, চেৰা ভাত, জবা ভাত, মাটিমাহ।

■■■■

সপ্ত দশ পাঠ

মানুহৰ দোষ-গুণ

তাই	উচ্চাৰণ	অসমীয়া
[illegible]	তাঙ কেঙ	চৰিত্ৰ
[illegible]	কুন নী	ভাল মানুহ
[illegible]	কুন চা	খঙাল মানুহ
[illegible]	কুন নিম	ধীৰ মানুহ
[illegible]	কুন খান	এলেহুৱা
[illegible]	কুন হিত	খকুৱা
[illegible]	কুন পী	শকত মানুহ
[illegible]	কুন হেঙ	বলৱান
[illegible]	কুন হেঙ লয়	নিৰ্ব্বলী
[illegible]	কুন চাঙ	জ্ঞানী মানুহ
[illegible]	কুন হাঙ নী	ধুনীয়া মানুহ
[illegible]	কুন য়ক	পাপী মানুহ
[illegible]	কুন চিত	তেঙৰ মানুহ
[illegible]	কুন ম্যাক	মুৰ্খ
[illegible]	কুন খ'	অহংকাৰী মানুহ
[illegible]	কুন হান	সাহসী
[illegible]	কুন আন কু	ভয়াতুৰ
[illegible]	ছাই হে	নাভী
[illegible]	লুত	তেজ
[illegible]	খুন তা	চকুৰ মণি
[illegible]	অক এক	মগজ

[illegible]	কুম খা কুম হ'	ককালৰ তলৰ অংশ

মানুহৰ অংগ

[illegible]	হু	মূৰ
[illegible]	ফুম	চুলি
[illegible]	হুনঙ	নাক
[illegible]	হু	কান
[illegible]	লাঙ	ছাল
[illegible]	ম্যু	হাত
[illegible]	তিন	ভৰি
[illegible]	খী য়েও	দাঁত
[illegible]	পিঙ ছপ	ওঠ
[illegible]	লিও	নখ
[illegible]	হুক অক	বুকু
[illegible]	লাঙ	পিঠি
[illegible]	হু খাও	আঠু
[illegible]	পঙ কাৰ	কলাফুল
[illegible]	খ'	ডিঙি
[illegible]	হাঙ হেঙ	ককাল
[illegible]	হৈ তা	চকু
[illegible]	না ফাক	কপাল
[illegible]	নুক ত'	ৰাজ হাড়
[illegible]	মু	আঙুলি
[illegible]	মু খা	সোঁ হাত
[illegible]	মু ছাই	বাঁও হাত

পঢ়াৰ অভ্যাস কৰা আৰু অৰ্থ কোৱা ঃ- [illegible] ॥ [illegible]॥ [illegible]॥ [illegible]॥ [illegible]॥ [illegible]॥ [illegible]॥ [illegible]॥ [illegible]॥ [illegible]॥

ভাই ভাষাত কোৰা ঃ- চকুৰ মণি, ৰাজ হাড়, হাঙ হেঙ, হুক অক, ককাল, মগজ, মুৰ্খ, ধুনীয়া, অহংকাৰী, বলৱান।

মাছ-মাংস

	পা	মাছ
[illegible]	পা হেঙ	শুকান মাছ
[illegible]	পা লাও	শুকতি মাছ
[illegible]	পা ফ'	পাতত দিয়া মাছ
[illegible]	পা ছুম	টেঙা মাছ
[illegible]	পা পিঙ	খৰিকা দিয়া মাছ
[illegible]	পা পা খাও	পুথি মাছ
[illegible]	পা খন তক	গৰৈ মাছ
[illegible]	পা পুন	মাগুৰ মাছ
[illegible]	পা কুঙ	মিছা মাছ
[illegible]	পা লিও নাম	দনিকণা মাছ
[illegible]	পা তেন	চেঙেলী মাছ
[illegible]	পা খুম খাৱ	ৰৌ মাছ
[illegible]	পা লন	শাল মাছ
[illegible]	পা ঙেও	তৰা মাছ
[illegible]	পা য়ুন	কুচিয়া
[illegible]	তাও	কাছ
[illegible]	ল' অ	মাংস
[illegible]	লৌ অ মূ	গাহৰি মাংস
[illegible]	লৌ অ ঙী	হৰিণ মাংস
[illegible]	লৌ অ পে য়া	ছাগলী মাংস
[illegible]	লৌ অ কাই	কুকুৰা মাংস
[illegible]	লৌ অ লুক	চৰাই মাংস

ঘৰুৱা সামগ্ৰী

[illegible]	হ'ন	ঘৰ
[illegible]	হ'ন হাঙ	চাঙ ঘৰ
[illegible]	হ'ন নী	মাটিঘৰ
[illegible]	পূ তূ	দৰ্জ্জা
[illegible]	ফা	বেৰ
[illegible]	ছাৱ	খুটা
[illegible]	লাঙ খা	ছাল
[illegible]	হুক লাই	জখলা
[illegible]	পে চম	মুধচ
[illegible]	ই য়ে	ভঁৰাল
[illegible]	খক	কোঠালী
[illegible]	হ'ন তাঙ খাৱ	পাক ঘৰ
[illegible]	তী খী	পাইখানা
[illegible]	তা আ	জেৰুৱা
[illegible]	তী ফাই	জুইশাল
[illegible]	মাই কেপ	চেপেনা
[illegible]	কক চ'	তলা চাবি
[illegible]	হ'ন উত	পকা ঘৰ
[illegible]	ৱান ফাই	চাকি
[illegible]	মান	আইনা
[illegible]	ৱী	ফনী
[illegible]	তাঙ কাক	চকী
[illegible]	চা তাঙ	মেজ
[illegible]	তী লাঙ	বেঞ্চ

[illegible]	তেক	বাকচ

পঢ়া আৰু অৰ্থ কোৱা-

[illegible]

কাপোৰ আৰু সাজ পোছাক

[illegible]	ফা চেত অন	ৰুমাল
[illegible]	ফা চেত	গামোচা
[illegible]	ফা মাই	উৰা কাপোৰ
[illegible]	ফা তুপ	খনিয়া কাপোৰ
[illegible]	ফা হু	পাগুৰি
[illegible]	ফা লয়	চুৰিয়া
[illegible]	ফা লুঙ	লুঙি
[illegible]	ছ্যু লুঙ	চোলা, কোট
[illegible]	ছিন	মেখেলা
[illegible]	ছাই কাপ	মহিলাৰ পেটী, ককাল জৰী
[illegible]	ফা হাই	ফটা কানি
[illegible]	ফা হ'ম	কম্বল
[illegible]	ফা কপ	তুলি
[illegible]	ফা তক	লেপ
[illegible]	মন হু	গাৰুদ
[illegible]	ছুত	আঠুৰা
[illegible]	ফা ছীৰ	বিচনা কাপোৰ

পঢ়াৰ অভ্যাস কৰাঃ- [illegible]

[illegible]

ঘৰুৱা সামগ্ৰী

	পান	শৰাই
[illegible]	নাম তাও	লোটা
[illegible]	ফান	কাঁহী
[illegible]	ৱান	বাতি
[illegible]	ফে	থাল
[illegible]	এঙ	কলহ
[illegible]	ল' ওং	ডলা
[illegible]	খঙ	খৰাহি
[illegible]	তাঙ	পাচি
[illegible]	য়ে পাত	বাঢ়নী
[illegible]	খ্যঙ	চালনী
[illegible]	কেঙ	জাকি
[illegible]	কক	গিলাচ
[illegible]	ছ্যু	চামুচ
[illegible]	ফুন	খৰি
[illegible]	ফা	দা
[illegible]	মিত	কটাৰী
[illegible]	খ'	কোৰ
[illegible]	ম' খাঙ	কেৰাহি
[illegible]	ৱান তঙ	বান বাতি
[illegible]	মাই পিঙ	খৰিকা
[illegible]	ফা ছেম	জোঙা দা
[illegible]	ফা ঙক	কেকুৰা দা
[illegible]	খান	কুঠাৰ

[illegible]	খন তৰ	লাখুটি
[illegible]	মাই ছে খাৰ	তাৰু মাৰি

পঢ়াৰ অভ্যাস কৰাঃ- [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible] ॥

ত্তাই ভাষাত কোৱাঃ- পাগুৰি, কম্বল, গাৰু, চুৰিয়া, ডলা, খৰি, জাকি, পাচি, লোটা, কুঠাৰ, লেপ, মেখেলা, গামোছা।

ৰাজ্য সম্বন্ধীয়

[illegible]	ম'ঙ	দেশ, ৰাজ্য
[illegible]	চাও ফা	ৰজা
[illegible]	নাঙ ফা	ৰানী
[illegible]	লুক চাও	ৰাজকুমাৰ
[illegible]	কুন ম'ঙ	প্ৰজা
[illegible]	ম'ঙ চেঙ	সিংহাসন
[illegible]	চাও পাঙ ম'ঙ	শাসনকৰ্ত্তা
[illegible]	আ মাত	মন্ত্ৰী
[illegible]	চাও পেত	উকীল
[illegible]	ম'ঙ চাও	পুলিচ
[illegible]	চে নাত	বন্দুক
[illegible]	লাক নাক	অস্ত্ৰ শস্ত্ৰ
[illegible]	মাক চা	গুলি
[illegible]	কাঙ	ধনু
[illegible]	লিম	কাড়
[illegible]	পে	জয়
[illegible]	হাই	পৰাজয়

[illegible]	ৰান ছু	শত্ৰু
[illegible]	কাত	বজাৰ
[illegible]	চে	দোকান
[illegible]	খুন তাঙ	আলি
[illegible]	খূ	দলং

প্ৰকৃতিৰ বস্তু

[illegible]	মে হৈ হিত	শিলাবৃষ্টি
[illegible]	ফা নাঙ	গাজনি
[illegible]	ফা মেপ	বিজুলী
[illegible]	মুঞ	বৰফ
[illegible]	লিন	মাটি
[illegible]	ছাই	বালি
[illegible]	ত্যক	বোকা
[illegible]	নাম খে	নৈ
[illegible]	লয়	পৰ্ব্বত
[illegible]	নাম মউ	পুখুৰী
[illegible]	হিন	শিল
[illegible]	ৰান	সুয্য
[illegible]	ন্যুন	জোন
[illegible]	নাও	তৰা
[illegible]	না খাত	নক্ষত্ৰ
[illegible]	ফুন	বৰষুণ
[illegible]	লুম লুঙ	ধুমুহা বতাহ
[illegible]	থৌন	হাবি
[illegible]	কাঙ ফা	আকাশ

[illegible]	ফা ফা	বজ্রপাত
[illegible]	নেত	ৰ'দ
[illegible]	ফয় এগা	ঘাঁহ বন

পঢ়াৰ অভ্যাস কৰাঃ- [illegible]

পঢ়াশালী সম্পকীয়

[illegible]	তী ছন লিক	পঢ়াশালী
[illegible]	ছা ৰা	শিক্ষক
[illegible]	তে পে	শিষ্য
[illegible]	লিক	পুথি
[illegible]	পাপ	বহী
[illegible]	চে	কাগজ
[illegible]	পী	কলম
[illegible]	খে তান	পেঞ্চিল
[illegible]	নাম মুক	চিয়াঁহী
[illegible]	মা ঙাঙ	ৰুলমাৰি
[illegible]	ছাম ফুঙ	ফলি
[illegible]	ফাত	পঢ়া
[illegible]	তেম	লিখা

উদ্ভিদৰ নাম

[illegible]	তুন	গছ
[illegible]	তুন অন	গছপুলি
[illegible]	খা	ডাল
[illegible]	মাউ	পাত

[illegible]	হাক	শিপা
[illegible]	মাই	কাঠ
[illegible]	তৌন হুঙ	বৰগছ
[illegible]	মাই ছাঙ	বাঁহ
[illegible]	খা	খেৰ
[illegible]	তুন মাক উন	নাৰিকল গছ
[illegible]	তুন মাক মূ	তামোল গছ
[illegible]	তুন কৈ	কল গছ

জন্তুৰ নাম

[illegible]	তূ থেন	বনৰীয়া জন্তু
[illegible]	তূ মান	ঘৰচীয়া জন্তু
[illegible]	ঙু	গৰু
[illegible]	খাই	মহ
[illegible]	চাঙ	হাতী
[illegible]	মা	ঘোঁৰা
[illegible]	পে য়া	ছাগলী
[illegible]	মূ	গাহৰি
[illegible]	মা	কুকুৰ
[illegible]	ছীৰ	বাঘ
[illegible]	মী	ভালুক
[illegible]	লিঙ	বান্দৰ
[illegible]	মা লিন	শিয়াল
[illegible]	ঙু	সাপ
[illegible]	কাঙ	শৰপহু
[illegible]	ঙী	হৰিণ

চৰাই নাম

	লুক	চৰাই
[illegible]	কাই	কুকুৰা
[illegible]	পেত	হাঁহ
[illegible]	পেত হান	ৰাজহাঁহ
[illegible]	কা কে	পাৰ চৰাই
[illegible]	লুক কেও	শালিকা
[illegible]	লুক তু	কপৌ
[illegible]	লুক তেক	ভাটো
[illegible]	লুক য়াঙ	বগলী
[illegible]	লুক ছেঙ	মইনা
[illegible]	লুক লাঙ তা	শগুন
[illegible]	য়া হুঙ	চিলনী
[illegible]	লুক চঙ	কুলি
[illegible]	লুক কাৰ	শেন চৰাই
[illegible]	লুক কা	কাউৰী
[illegible]	লুক খা	ডৰিক

ত্তাই ভাষাত বাধা দিয়া বুজাবলৈ ক্ৰিয়াৰ আগত ঠি পী বহে।

যেনেঃ-

ঠি [illegible]	পী হেত	নকৰিবা
ঠি [illegible]	পী মা	নাহিবা
ঠি [illegible]	পী কিন	নেখাবা
ঠি [illegible]	পী কা	নেযাবা
ঠি [illegible]	পী লন	নুশুবা

ঠি [illegible]	পী লাঙ	নবহিবা
ঠি [illegible]	পী ফাত	নপঢ়িবা
ঠি [illegible]	পী লেন	নেখেলিবা
ঠি [illegible]	পী হাৰ	নিদিবা
ঠি [illegible]	পী হাৰ মা	নানিবা
ঠি [illegible]	পী কা	নেনাচিবা
ঠি [illegible]	পী নুঙ	নিপিন্ধিবা
ঠি [illegible]	পী ৱা	কথা নকবা
ঠি [illegible]	পী খু	নেহাঁহিবা
ঠি [illegible]	পী অপ	নেমাৰিবা
ঠি [illegible]	পী খাই	নেবেচিবা
ঠি [illegible]	পী চু	নিকিনিবা
ঠি [illegible]	পী খা	নিবিচাৰিবা
ঠি [illegible]	পী হান	নেচাবা
ঠি [illegible]	পী থা	বাট নেচাবা

ত্তাই	সংখা	উচ্চাৰণ
[illegible]	১	লুঙ
[illegible]	২	ছুঙ
[illegible]	৩	ছাম
[illegible]	৪	ছী
[illegible]	৫	হা
[illegible]	৬	হুক
[illegible]	৭	চেত
[illegible]	৮	পেত
[illegible]	৯	কাৰ

ꯑꯁꯤꯄ	১০	ছিপ	
ꯑꯁꯤꯄ ꯑꯣꯏꯅꯤ	১১	ছিপ ইত	
ꯑꯁꯤꯄ ꯑꯩꯍꯩ	১২	ছিপ ছঙ	
ꯑꯩꯍꯩ ꯂꯨꯍꯤ	২০	ছাও লুঙ	
ꯑꯩꯍꯩ ꯑꯣꯏꯅꯤ	২১	ছাও এত	
ꯑꯣꯏꯅꯤ ꯑꯁꯤꯄ	৩০	ছাম ছিপ	
ꯑꯣꯏꯅꯤ ꯑꯁꯤꯄ ꯑꯣꯏꯅꯤ	৩১	ছাম ছিপ এত	
ꯑꯌꯤ ꯑꯁꯤꯄ	৪০	ছি ছিপ	
ꯑꯌꯤ ꯑꯁꯤꯄ ꯑꯣꯏꯅꯤ	৪১	ছি ছিপ এত	
ꯍꯥ ꯑꯁꯤꯄ	৫০	হা ছিপ	
ꯍꯥ ꯑꯁꯤꯄ ꯑꯣꯏꯅꯤ	৫১	হা ছিপ এত	
ꯍꯨꯅ ꯑꯁꯤꯄ	৬০	হ'ক ছিপ	
ꯍꯨꯅ ꯑꯁꯤꯄ ꯑꯣꯏꯅꯤ	৬১	হ'ক ছিপ এত	
ꯑꯣꯏꯅꯤ ꯑꯁꯤꯄ	৭০	চেত ছিপ	
ꯑꯣꯏꯅꯤ ꯑꯁꯤꯄ ꯑꯣꯏꯅꯤ	৭১	চেত ছিপ এত	
ꯂꯧꯅꯤ ꯑꯁꯤꯄ	৮০	পেত ছিপ	
ꯂꯧꯅꯤ ꯑꯁꯤꯄ ꯑꯣꯏꯅꯤ	৮১	পেত ছিপ এত	
ꯀꯨ ꯑꯁꯤꯄ	৯০	কাৰ ছিপ	
ꯀꯨ ꯑꯁꯤꯄ ꯑꯣꯏꯅꯤ	৯১	কাৰ ছিপ এত	
ꯄꯥꯀ ꯂꯨꯍꯤ	১০০	পাক লুঙ	
ꯑꯣꯏꯅꯤ ꯄꯥꯀ	৩০০	ছাম পাক	তিনিশ
ꯑꯌꯤ ꯄꯥꯀ	৪০০	ছী পাক	চাৰিশ
ꯍꯥ ꯄꯥꯀ	৫০০	হা পাত	পাঁচশ
ꯍꯤꯡ ꯂꯨꯍꯤ	১০০০	হেইঙ লুঙ	এহেজাৰ
ꯑꯩꯍꯩ ꯍꯤꯡ	২০০০	ছঙ হেইঙ	দুই হোজাৰ
ꯍꯥ ꯍꯤꯡ	৫০০০	হা হেইঙ	পাঁচ হেজাৰ

ত্তাই ভাষাত কোৱা ঃ

১৫, ১৮, ২২, ৩২, ৫২, ৬১, ৭৩, ৮৫।

অসমীয়া সংখ্যাত কোৱাঃ

কাউ ছিপ ছঙ, ছিপ ছঙ, ছাউ হা, ছিপ হা, ছি ছিপ হা, হা ছিপ ছি, চেত ছিপ ছঙ।

৩ কা আৰু ৬ মা ক্ৰিয়াৰ বাক্য গঠন

	বৰ্ত্তমান							অতীত কাল			ভবিষ্যত কাল		
পুৰুষ	এক বচন	বহু বচন	কামটো হোৱা অৰ্থত	কামটো চলি থকা অৰ্থত	নোহোৱা অৰ্থত	কামটো অসম্পূৰ্ণ অৰ্থত	প্ৰশ্নবোধক বাক্য	অলপতে শেষ হ'ল অৰ্থত	কামটো আগতে হৈছিল	প্ৰশ্নবোধক বাক্য	আগলৈ হ'ব অৰ্থত	প্ৰশ্নবোধক বাক্য	ক্ৰিয়াসমূহকলৈ বাক্য সাজা
১ম	মই	আমি	যাওঁ	গৈ আছো	নেযাওঁ	যোৱা নাই	যাওঁ নে?	গ'লো	গৈছিলো	গৈছিলো নে	যাম	যাম নে?	
	ꯑꯩ	ꯑꯩꯕꯥ	ꯆꯥ	ꯆꯥ ꯌꯦ	ꯃꯤꯑꯣꯏ ꯆꯥ	ꯃꯤꯑꯣꯏ ꯑꯣꯏ ꯆꯥ	ꯆꯥ ꯅꯤ	ꯆꯥ ꯅꯤ	ꯆꯥ ꯑꯣ	ꯆꯥ ꯑꯣ ꯅꯤ	ꯑꯣꯏ ꯆꯥ	ꯅꯣ ꯆꯥ ꯅꯤ	ꯑꯣꯏ
	কাৰ	হাৰ	কা	কা ছু	ইং কা	ইং পাই কা	কা ল'	কা য়	কা ৰাই	কা ৰাই ল'	তি কা	তি কা ল'	তি
২য়	তুমি	তোমা	যোৱা	গৈ আছা	নোযোৱা	যোৱা নাই	যোৱা নে?	গ'লা	গৈছিলা	গৈছিলা নে?	যাবা	যাবা নে?	
	ꯅꯨꯡ	ꯅꯨꯡꯕꯥ	ꯆꯥ	ꯆꯥ ꯌꯦ	ꯃꯤꯑꯣꯏ ꯆꯥ	ꯃꯤꯑꯣꯏ ꯑꯣꯏ ꯆꯥ	ꯆꯥ ꯅꯤ	ꯆꯥ ꯅꯤ	ꯆꯥ ꯑꯣ	ꯆꯥ ꯑꯣ ꯅꯤ	ꯑꯣꯏ ꯆꯥ	ꯅꯣ ꯆꯥ ꯅꯤ	
	কাৰ	ছু	কা	কা ছু	ইং কা	ইং পাই কা	কা ল'	কা য়	কা ৰাই	কা ৰাই ল'	তি কা	তি কা ল'	
৩য়	সি	সিহঁত	যায়	গৈ আছো	নেযায়	যোৱা নাই	যায় নে?	গ'ল	গৈছিল	গৈছিল নে?	যাব	যাব নে?	
	ꯑꯩꯍꯥꯛ	ꯑꯩꯍꯥꯛꯕꯥ	ꯆꯥ	ꯆꯥ ꯌꯦ	ꯃꯤꯑꯣꯏ ꯆꯥ	ꯃꯤꯑꯣꯏ ꯑꯣꯏ ꯆꯥ	ꯆꯥ ꯅꯤ	ꯆꯥ ꯅꯤ	ꯆꯥ ꯑꯣ	ꯆꯥ ꯑꯣ ꯅꯤ	ꯑꯣꯏ ꯆꯥ	ꯅꯣ ꯆꯥ ꯅꯤ	
	মান	খাৰ	কা	কা ছু	ইং কা	ইং পাই কা	কা ল'	কা য়	কা ৰাই	কা ৰাই ল'	তি কা	তি কা ল'	
	অহা - ৬ মা ক্ৰিয়া												
১ম	মই	আমি	আহো	আহি আছো	নাহো	অহা নাই	আহো নে?	আহিলো	আহিছিলো	আহিছিলো নে	আহিম	আহিম নে?	
	ꯑꯩ	ꯑꯩꯕꯥ	ꯕꯥ	ꯕꯥ ꯌꯦ	ꯃꯤꯑꯣꯏ ꯕꯥ	ꯃꯤꯑꯣꯏ ꯑꯣꯏ ꯕꯥ	ꯕꯥ ꯅꯤ	ꯕꯥ ꯅꯤ	ꯕꯥ ꯑꯣ	ꯕꯥ ꯑꯣ ꯅꯤ	ꯑꯣꯏ ꯕꯥ	ꯅꯣ ꯕꯥ ꯅꯤ	
	কাৰ	হাৰ	মা	মা ছু	ইং মা	ইং পাই মা	মা ল'	মা য়	মা ৰাই	মা ৰাই ল'	তি মা	তি মা ল'	তি
২য়	তুমি	তোমা	আহা	আহি আছা	নাহা	অহা নাই	আহা নে?	আহিলা	আহিছিলা	আহিছিলা নে?	আহিবা	আহিবা নে?	
	ꯅꯨꯡ	ꯅꯨꯡꯕꯥ	ꯕꯥ	ꯕꯥ ꯌꯦ	ꯃꯤꯑꯣꯏ ꯕꯥ	ꯃꯤꯑꯣꯏ ꯑꯣꯏ ꯕꯥ	ꯕꯥ ꯅꯤ	ꯕꯥ ꯅꯤ	ꯕꯥ ꯑꯣ	ꯕꯥ ꯑꯣ ꯅꯤ	ꯑꯣꯏ ꯕꯥ	ꯅꯣ ꯕꯥ ꯅꯤ	
	কাৰ	ছু	মা	মা ছু	ইং মা	ইং পাই মা	মা ল'	মা য়	মা ৰাই	মা ৰাই ল'	তি মা	তি মা ল'	
৩য়	সি	সিহঁত	আহে	আহি আছে	নাহে	অহা নাই	আহে নে?	আহিলে	আহিছিলে	আহিছিলে নে?	আহিব	আহিব নে?	
	ꯑꯩꯍꯥꯛ	ꯑꯩꯍꯥꯛꯕꯥ	ꯕꯥ	ꯕꯥ ꯌꯦ	ꯃꯤꯑꯣꯏ ꯕꯥ	ꯃꯤꯑꯣꯏ ꯑꯣꯏ ꯕꯥ	ꯕꯥ ꯅꯤ	ꯕꯥ ꯅꯤ	ꯕꯥ ꯑꯣ	ꯕꯥ ꯑꯣ ꯅꯤ	ꯑꯣꯏ ꯕꯥ	ꯅꯣ ꯕꯥ ꯅꯤ	
	মান	খাৰ	সা	ম ছু	ইং মা	ইং পাই মা	মা ল'	মা য়	মা ৰাই	মা ৰাই ল'	তি মা	তি মা ল'	